স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

VOL-15 ☐ NO-222 ☐ SUNDAY 19 OCTOBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBR

# কানৈ মহাবিদ্যালয়ত শিক্ষক প্ৰশিক্ষণ কৰ্মশালাৰ সামৰণি

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৮ অক্টোবৰ ঃ ঐতিহ্যমণ্ডিত ডি ব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ত ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান আৰু প্ৰধানমন্ত্ৰী উচ্চতৰ শিক্ষা অভিযানৰ পৃষ্ঠপোষকতাত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ মালব্য মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সহযোগত 'Mentoring Cutting-Edge Research in the Light of NEP-2020' শীৰ্ষক এক দুদিনীয়া শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী ১৪ আৰু ১৫ অক্টোবৰত সফলতাৰে অনুষ্ঠিত হয়। প্ৰশিক্ষণ কাৰ্যসূচীৰ প্ৰথমদিনাৰ উদ্বোধনী অনুষ্ঠানৰ আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰা সকলো অধ্যাপক-অধ্যাপিকাৰ লগতে সমূহ গণ্যমান্য ব্যক্তিক উষ্ম আদৰণি জনায়। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে কয়— শিক্ষকসকল কেৱল শিক্ষক হিচাপেই নহয়, তেওঁলোকে একো একোজন পৰামৰ্শদাতা, পথ প্ৰদৰ্শক হিচাপেও নিজৰ দায়িত্ব পালন কৰিব লাগিব। সমাজ, দেশ, জাতিক ইতিবাচক দিশত আগুৱাই নিবলৈ হ'লে প্ৰতিজন শিক্ষকে একো একোজন সু-পৰামৰ্শদাতা, পথ প্ৰদৰ্শক হিচাপে দায়িত্ব পালন কৰিব লাগিব। অধ্যক্ষগৰাকীয়ে লগতে কয় যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষা, গৱেষণা ১০ পৃষ্ঠাত

ক্টোবৰ ঃ লেখিকা সংস্থা অসমৰ সোণালী লেখিকা সংস্থাৰ উদ্যোগত ডি ব্ৰুগড়, তিনিচুকীয়া, বৰহাট, ডিগবৈ, উত্তৰ নী আৰু সাপেখাতী শাখা লেখিকা ক্ষাগৃহত অহা ২৫ আৰু ২৬ অক্টোবৰত আয়োজন কৰা হৈছে। কৰ্মশালাৰ ভামণি দত্ত তামুলীয়ে কৰ্মশালাৰ থমদিনা পুৱাৰ ১০ পৃষ্ঠাত

## নেতৃত্ব ই অভিযান

ণৰ সমীপৰ পৰা পথৰ দুয়োটাকায স্থানীয় ৰাইজে এনে কাৰ্যৰ শলাগ বৃহত্তৰ অঞ্চলটোৰ পৰা ইতিমধ্যে াঘ পিঞ্জৰাবদ্ধ কৰা হৈছে। সেয়ে জংঘললৈ পৰ্যবসিত হৈ পৰাত এই কালত প্ৰতিমুহূৰ্ততে মনত শংকাৰ । উল্লেখ্য যে পূৰ্বতে লোকনিৰ্মাণ কে পথৰ কাষৰ হাবি-জংঘল কাটি ৰাখিছিল যদিও সম্প্ৰতি বহু বছৰ শ্ৰমিকৰ দেখা- দেখি নাই।

ৰাজ্যজুৰি ব

## মাজুলীৰ সত্ৰত আকাশব

শাৰদীয় উৎস

সম্প্ৰীতিৰ বাৰ্তা ঃ



ষ্টাফ ৰিপ'ৰ্টাৰ, ১৮ অক্টোবৰ ঃ আজি পালন কৰিছে বাপতি গাৰ্গক অকালতে হেৰুৱাই ৰাজ্যব পৰম্পৰাগত নীতি-নিয়মেৰে ল

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-15 ☐ NO-222 ☐ SUNDAY 19 OCTOBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRU

## কানৈ মহাবিদ্যালয়ত শিক্ষক

কি পৰ্যায়ত আছে তাৰ বিষয়েও শিক্ষাৰ্থীক অৱগত কৰিব লাগিব। ব্যৰ্থতাকো শিক্ষা হিচাপে গ্ৰহণ কৰি শিক্ষকসকলে শিক্ষাৰ্থীক উৎসাহিত কৰিব লাগিব। দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° প্ৰদীপ কুমাৰ বৰুৱাই। উদ্বোধনী ভাষণ প্ৰসংগত ড° বৰুৱাই অৰ্থপূৰ্ণ শৈক্ষিক সম্পৰ্ক গঢ়ি তোলা, সহযোগিতামূলক গৱেষণাৰ প্ৰসাৰ আৰু শিক্ষণ আৰু শিকণ পদ্ধতিৰ উদ্ভাৱনক অনুপ্ৰাণিত কৰাৰ ক্ষেত্ৰত এনে প্ৰশিক্ষণ কাৰ্যসূচীৰ মূল্যৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ মালব্য মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সহকাৰী অধ্যপক তথা কৰ্মশালাৰ এগৰাকী সমন্বয়ক ড° তবচ্ছুম ৰিজভী উপস্থিত থাকি এক গৱেষণামুখী শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ ক্ষেত্ৰত কাৰ্যসূচীটোৰ উদ্দেশ্য আৰু প্ৰাসংগিকতাৰ ওপৰত আলোকপাত কৰে। দুদিনীয়া কৰ্মশালাখনি প্ৰথমদিনাৰ চাৰিটা আলোচনা শাখাত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ক্ৰমে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰসায়ন বিভাগৰ প্ৰাধ্যাপক ড° পংকজ দাস, তেজপুৰ বিশ্ববিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক বিভাগৰ সহকাৰী অধ্যাপক ড° নৱজ্যোতি মেধি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° গৌৰী শংকৰ দাস আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ প্ৰাধ্যাপক ড° চন্দন কুমাৰ শৰ্মা। আনহাতে দ্বিতীয় দিনাৰ চাৰিটা আলোচনা শাখাৰ সমল ব্যক্তি আছিল ক্ৰমে তেজপুৰ বিশ্ববিদ্যালয়ৰ ভাষাবিজ্ঞান আৰু ভাষা প্ৰযুক্তি বিভাগৰ সহকাৰী অধ্যাপক ড° অৰূপ কুমাৰ নাথ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড° পংকজ চেতিয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল আৰু তথ্য বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড° সঞ্জয় কুমাৰ সিং আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ মেনেজমেণ্ট ষ্টাডিজৰ সহকাৰী অধ্যাপক ড° আৰ্শ্বাদ হুছেইন। মুঠ ১১২ গৰাকী শিক্ষক তথা গৱেষকে অংশগ্ৰহণ কৰা কৰ্মশালাটোৰ সামৰণিত অংশগ্ৰহণকাৰীসকলৰ পৰা পোৱা ইতিবাচক সঁহাৰিয়ে সমল ব্যক্তিসকলৰ লগতে উদ্যোক্তাসকলকো উৎসাহিত কৰে। কৰ্মশালাটি সফলভাৱে সম্পন্ন হোৱাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই গুৱাহাটী বিশ্ববিদ্যালয়ৰ মালব্য মিছন শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ বিষয়ববীয়াসকলৰ শলাগ লোৱাৰ লগতে কৰ্মশালাখনৰ সমন্বয়কৰ দায়িত্ব পালন কৰা মহাবিদ্যালয়খনৰ অধ্যাপক ক্ৰমে ড° নিতুমণি শইকীয়া, ড° পৰাগজ্যোতি চুতীয়া আৰু ড° অপূৰ্ব দত্তকে ধৰি আটাইকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। কৰ্মশালাখনিৰ দুয়োটা দিনৰ সমূহ কাৰ্যসূচী সুচাৰুৰূপে আঁত ধৰে অধ্যাপিকা সংক্ৰান্তি দেৱী আৰু ড° হানিফা ৰহমানে।

ৰাজ্যজুৰি কা

## মাজুলীৰ 
## সত্ৰত ২
## আকাশব

শাৰদীয় উৎসৱ
সম্প্ৰীতিৰ বাৰ্তা ঃ ড



ষ্টাফ ৰিপৰ্টাৰ, ১৮ অক্টোবৰ ঃ অ
আজি পালন কৰিছে বাপতি সা
গাৰ্গক অকালতে হেৰুৱাই ৰাজ্যবাসী
পৰম্পৰাগত নীতি-নিয়মেৰে লখি